# Telephone conversation between Prime Minister and the President of Russian Federation

July 02, 202020

## প্ৰধানমন্ত্ৰী আৰু ৰাছিয়া যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ মাজত টেলিফোনিক বাৰ্তালাপ

**জুলাই** 02, 2020

প্ৰধানমন্ত্ৰীয়ে, দ্বিতীয় বিশ্বযুদ্ধত জয়লাভৰ ৭৫তম বাৰ্ষিকী উদযাপন উপলক্ষত, লগতে ৰাছিয়াৰ সংবিধান সংশোধন সন্দৰ্ভত ভোটৰ সফল পৰিসমাপ্তিত ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনক উষ্ম শুভেচ্ছা জনায়।

24 জুন, 2020 তাৰিখে মস্কোত অনুষ্ঠিত এক মিলিটাৰী পেৰেডত ভাৰতবৰ্ষ আৰু ৰাছিয়াৰ অধিবাসী সকলৰ মাজত বন্ধুত্বৰ চিন স্বৰূপে ভাৰতৰ এক প্ৰতিনিধি দলে অংশগ্ৰহণ কৰা কথা প্ৰধানমন্ত্ৰী গৰাকীয়ে সোঁৱৰে।

ক'ভিড-19 বৈশ্বিক মহামাৰীৰ ঋণাত্মক প্ৰভাৱসমূহৰ সৈতে মুখামুখি হ'বলৈ দেশ দুখনে লোৱা ব্যৱস্থা সন্দৰ্ভত নেতা দুগৰাকীয়ে আলোচনা কৰে আৰু কভিড-19 ৰ পাছৰ পৃথিৱীখনত আহিবলগীয়া প্ৰত্যাহ্বান সমূহৰ সন্মুখীন হোৱাৰ বাবে ভাৰত ৰাছিয়াৰ নিবিড় সম্পৰ্কৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

দ্বিপাক্ষিক যোগাযোগ আৰু পৰামৰ্শৰ গতি অব্যাহত ৰাখিবলৈ তেওঁলোকে সন্মতি প্ৰদান কৰে, যাৰ ফলশ্ৰুতিত এইবছৰৰ শেষৰ ফালে ভাৰতত বাৰ্ষিক দ্বিপাক্ষিক সন্মিলন অনুষ্ঠিত কৰা হ'ব। দ্বিপাক্ষিক সন্মিলনৰ বাবে ৰাষ্ট্ৰপতি পুটিনক ভাৰতলৈ আদৰিবলৈ আগ্ৰহী বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ব্যক্ত কৰে।

ৰাষ্ট্ৰপতি পুটিনে ফোন কলটোৰ বাবে প্ৰধান মন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে আৰু সকলো দিশতেই দুয়োখন দেশৰ মাজত বিশেষ আৰু উৎকৃষ্ট কৌশলগত সহযোগিতা আৰু অধিক শক্তিশালী কৰি তোলাৰ বাবে তেখেতৰ প্ৰতিশ্ৰুতিক পুনঃ পুনঃ দোহাৰে।

**নতুন দিল্লী**
**জুলাই 02, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.